**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-09-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ মিজোৰাম, মণিপুৰ আৰু অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে কাইলৈ দিনৰ ১০ বজাত আইজলৰ লামউৱালত আয়োজিত এটা অনুষ্ঠানত নৱনিৰ্মিত ভৈৰৱী-চাইৰাং ৰে'লপথেৰে তিনিখন নতুন ৰে'লগাড়ীৰ যাত্ৰাৰ ভাৰ্চুৱেলি শুভাৰম্ভ কৰিব।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰী মণিপুৰলৈ যাব আৰু চূড়াচান্দপুৰ আৰু ইম্ফলত দুখন জনসভাত অংশ ল'ব। মণিপুৰৰ কেইবাটাও সংগঠনে আজি মাজনিশাৰ পৰা আহ্বান দিয়া ধৰ্মঘটৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ ৰাজ্যখনত নিশ্ছিদ্ৰ নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। আবেলিৰ ভাগত প্ৰধানমন্ত্ৰী গুৱাহাটীলৈ আহিব আৰু বিয়লি ৫ বজাত খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ শতবাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানতে তেওঁ ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা ড০ ভূপেন হাজৰিকা স্মাৰক ১০০ টকীয়া মুদ্ৰা আনুষ্ঠানিকভাৱে মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে অসম চৰকাৰৰ তত্বাৱধানত সংকলন কৰা ড০ ভূপেন হাজৰিকাৰ বহুভাষিক জীৱনী গ্ৰন্থখনো আনুষ্ঠানিকভাৱে উন্মোচন কৰিব। প্ৰধানমন্ত্ৰীৰ সন্মানাৰ্থে প্ৰায় এহেজাৰ ২০০গৰাকী শিল্পীয়ে খানাপাৰাৰ খেলপথাৰত বিশ্ববিশ্ৰুত শিল্পীগৰাকীৰ ১৪টা বচা বচা গান আৰু কবিতা একেলগে পৰিবেশন কৰিব।

প্ৰধানমন্ত্ৰীয়ে পৰহিলৈ মঙলদৈলৈ যাব আৰু প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। সেইদিনাই তেওঁ ভাৰ্চুৱেল পদ্ধতিৰে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

ইয়াৰ পাছত শ্ৰীমোদী গোলাঘাট জিলাৰ নুমলীগড়লৈ যাব আৰু নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰহিলৈ মঙলদৈৰ পুনিয়াত হ'বলগীয়া জনসভাৰ পৰিপ্ৰেক্ষিতত কাইলৈ মাজনিশাৰ পৰা দেওবাৰৰ মাজনিশালৈকে কাৰ্যকৰী হোৱাকৈ বাইহাটা চাৰিআলিৰ পৰা মিছন চাৰিআলিলৈকে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে সকলো ধৰণৰ গধূৰ বাণিজ্যিক বাহনৰ চলাচল নিষিদ্ধ কৰা হৈছে। তদুপৰি দৰং জিলা প্ৰশাসনে এই সময়ছোৱাত ৰাষ্ট্ৰীয় ঘাইপথৰ আউলা চৌকাৰ পৰা বেজপাৰা-ইছলামপুৰ চাৰিআলি হৈ কেৰিমেৰি পথেৰে মঙলদৈ নগৰৰ বাহিৰেৰে চাৰিচকীয়া লঘূ যান-বাহনৰ চলাচল কৰোৱাৰ নিৰ্দেশ দিছে।

ooooo

প্ৰধানমন্ত্ৰীৰ অসম, মণিপুৰ আৰু মিজোৰাম ভ্ৰমণ সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আকাশবাণীৰ আইজল আৰু ইম্ফলৰ সংবাদদাতা দুগৰাকীও টেলিফোনযোগে সংযুক্ত হ'ব। জ্যেষ্ঠ সাংবাদিক মনীষ গোস্বামী, এমট্ৰনৰ পৰামৰ্শদাতা বসন্ত বৰঠাকুৰ আৰু পথ অভিযান্ত্ৰিক বিষয়ৰ পৰামৰ্শদাতা ত্ৰিদীপ চাংমাইয়ে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ। এই অনুষ্ঠান ৰাজ্যখনৰ কেইবাটাও আকাশবাণী কেন্দ্ৰই ৰিলে কৰিব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ সম্পৰ্কত আমাৰ সংবাদদাতা সকলৰ প্ৰতিবেদনৰ ভিত্তিত অহা ১৪ ছেপ্তেম্বৰ দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব।

০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৪২৯ সংখ্যক তিৰোভাৱ তিথি শ্ৰদ্ধা-ভক্তিৰে পালন কৰা হৈছে। শ্ৰীশ্ৰীমাধৱদেৱৰ জন্মস্থান লখিমপুৰৰ লেটেকু পুখুৰী, ডিব্ৰুগড়, শিৱসাগৰ, বৰদোৱা, বৰপেটা, সত্ৰ নগৰী মাজুলী, ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰ, গোৱালপাৰাৰ কেউলীয়া হাটী সত্ৰ আৰু শ্যামৰায় সত্ৰৰ লগতে গুৱাহাটী মহানগৰীৰ নামঘৰসমূহতো মহাপুৰুষজনাৰ তিথি উপলক্ষে নাম-প্ৰসংগৰ আয়োজন কৰা হয়। কোচবিহাৰৰ মধুপুৰ সত্ৰতো আজি দিনজোৰা কাৰ্যসূচীৰে গুৰুজনাৰ তিৰোভাৱ তিথি পালন কৰা হয়।

০০০০০

নেপালত উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ সুশীলা কাৰ্কীৰ নেতৃত্বত অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন হোৱাৰ বাবে সকলো পক্ষ সহমতত উপনীত হৈছে। ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পৌডেলৰ প্ৰেছ উপদেষ্টাই সংবাদ মাধ্যমত এই কথা প্ৰকাশ কৰে।

০০০০০

বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে তামুলপুৰ জিলা প্ৰশাসনে সেউজ নিৰ্বাচনক মূল বিষয়বস্তু হিচাপে লৈ বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। এই কাৰ্যসূচী অনুসৰি জিলাখনৰ ৩৯৫টা ভোটগ্ৰহণ কেন্দ্ৰত গছপুলি ৰোপণেৰে ভোটগ্ৰহণ প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব। ইয়াৰ লগতে ৩০টা কেন্দ্ৰত ১৪০ গৰাকী মহিলাৰ দ্বাৰা ভোটগ্ৰহণ কাৰ্যসূচী পৰিচালনা কৰা হ'ব বুলি জিলা প্ৰশাসনৰ তৰফৰ পৰা জানিবলৈ দিয়া হৈছে।

বিটিচি নিৰ্বাচনৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগে ইতিমধ্যে ওজৰ-আপত্তি নিষ্পত্তি প'ৰ্টেল মুকলি কৰিছে। জনসাধাৰণে আদৰ্শ নিৰ্বাচনী আচৰণ বিধি-উলংঘাৰ বিষয়ে ফটো অথবা ভিডিঅ' প্ৰমাণসহ এই প'ৰ্টেলযোগে অৱগত কৰিব পাৰিব আৰু অভিযোগৰ স্থিতি সন্দৰ্ভত জানিব পাৰিব।

০০০০০

ধেমাজি জিলাৰ গোগামুখত খাদ্যত বিষক্ৰিয়া হৈ শিশুসহ প্ৰায় ৪০ গৰাকী লোক অসুস্থ হৈ পৰিছে। গোগামুখ টিঙিৰী গাঁৱৰ শংকৰ সংঘৰ প্ৰাথমিক শাখাৰ নামঘৰত মাহ প্ৰসাদ খাই অসুস্থ হোৱা লোককেইগৰাকীক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। সম্প্ৰতি আক্ৰান্তসকলৰ অৱস্থা সুস্থিৰ বুলি জানিব পৰা গৈছে।

০০০০০

ঃঃ সমাপ্ত ঃঃ